**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 10-11-2024
**Time :** 1205 Hrs

***Assamese Midday Bulletin***
-----------------------

ৰাজ্যৰ পাঁচটা সমষ্টিৰ উপ-নিৰ্বাচনৰ প্ৰচাৰ অভিযানৰ সামৰণি পৰিবলৈ মাজত মাত্ৰ এটা দিন বাকী থকা অৱস্থাত ৰাজনৈতিক দলসমূহে নিজ নিজ প্ৰাৰ্থীৰ হৈ ভোটদাতাৰ মন জয় কৰাৰ বাবে আপ্ৰাণ চেষ্টা চলোৱা পৰিলক্ষিত হৈছে।। বিজেপিৰ জ্যেষ্ঠ নেতা তথা কেন্দ্ৰীয় মন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি দিগন্ত ঘাটোৱালৰ হৈ বিহালী সমষ্টিত প্ৰচাৰ চলাব।

কংগ্ৰেছ দলৰ সাংসদ তথা বিৰোধীৰ উপ-দলপতি গৌৰৱ গগৈয়ে বিহালীত দলীয় প্ৰাৰ্থীৰ হৈ প্ৰচাৰ চলায়। সাংসদ ৰকিবুল হুছেইনে বিহালীত, চামগুৰিত কংগ্ৰেছৰ  ৰাজ্যিক সভাপতি ভূপেন বৰাই দলীয় প্ৰাৰ্থীৰ হৈ কালি প্ৰচাৰ চলায়। ইফালে, চামগুৰিত নিৰ্বাচনী প্ৰচাৰৰ সময়ত ৰাজনৈতিক হিংসাৰ সৃষ্টি হৈছে। কালি সমষ্টিটোত কংগ্ৰেছ আৰু বিজেপিৰ মাজত মাৰপিটৰ ঘটনা সংঘটিত হয়। এই ঘটনাত কংগ্ৰেছৰ তিনিজন আৰু বিজেপিৰ দুজন লোক আহত হয়।

মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই চামগুৰিত একাংশ কংগ্ৰেছ সমৰ্থকে বিধায়ক জিতু গোস্বামীক আক্ৰমণ কৰা ঘটনাক গৰিহণা দিছে। এই ঘটনাই দলটোৰ নিৰাশাকে প্ৰতিফলিত কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে প্ৰকাশ কৰিছে।

উল্লেখযোগ্য যে, ৩৪ গৰাকী প্ৰাৰ্থীয়ে এই উপ-নিৰ্বাচনত প্ৰতিদ্বন্দিতা আগবঢ়াইছে। উপ-নিৰ্বাচন হ'বলগীয়া ধলাই সমষ্টিত ৮ গৰাকী প্ৰাৰ্থীয়ে, চামগুৰি সমষ্টিত ১১ গৰাকী আৰু ছিদলী সমষ্টিত ৩ গৰাকী প্ৰাৰ্থীয়ে প্ৰতিদ্বন্দ্বিতা আগবঢ়াইছে। বিহালী সমষ্টিত ৪ গৰাকী আৰু বঙাইগাঁৱৰ আসনখনৰ বাবে ৮ গৰাকী প্ৰাৰ্থী প্ৰতিদ্বন্দ্বিতাত অৱতীৰ্ণ হৈছে।

oooooo

ৰাজ্যৰ বিভিন্ন প্ৰান্তত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উদ্‌যাপনৰ বাবে প্ৰস্তুতি অব্যাহত আছে। শৰৎ কালৰ পূৰ্ণিমা তিথিত আয়োজন কৰা এই ৰাসলীলা বা ৰাস মহোৎসৱ উপলক্ষে মাজুলীকে ধৰি ৰাজ্যৰ বিভিন্ন অঞ্চলত উৎসাহ উদ্দীপনা সৃষ্টি  হৈছে। অহা ১৫ নৱেম্বৰৰ পৰা ৰাজ্যৰ বিভিন্ন স্থানত ৰাস মহোৎসৱ উদযাপিত হ'ব।

মাজুলীৰ দক্ষিণপাট সত্ৰৰ লগতে গড়মুৰ, আউনীআঁটী, বেঙেণাআঁটী, কমলাবাৰী আদি সত্ৰত পৰম্পৰাগত ৰীতি-নীতিৰে পালন কৰা ৰাস উৎসৱ মাজুলীৰ অন্যতম উৎসৱ হিচাপে বিবেচিত হোৱাৰ লগতে দেশ বিদেশৰ পৰ্যটকসকলকো এই উৎসৱৰ বাৰেৰহণীয়া পৰম্পৰাই আকৰ্ষণ কৰে। সত্ৰীয়া সংস্কৃতিৰ প্ৰাণকেন্দ্ৰ মাজুলীত এইবাৰো ৰাসলীলাৰ আখৰা পূৰ্ণোদ্যমে চলি আছে।

উজনি অসমৰ লখিমপুৰ, শিৱসাগৰ, যোৰহাটকে ধৰি আন কেইবাখনো ঠাইত ৰাসলীলা উদ্‌যাপনৰ বাবে আখৰাকে ধৰি প্ৰস্তুতি চলি আছে। গুৱাহাটী মহানগৰীতো ৰাস উদযাপনৰ প্ৰস্তুতি অব্যাহত আছে। নামনি অসমৰ হাউলী, নলবাৰী, বজালীকে ধৰি বিভিন্ন অঞ্চলত শ্ৰীকৃষ্ণৰ ৰাস মহোৎসৱ উপলক্ষে যথাবিহিত ৰীতি-নীতিৰে পূজা অৰ্চনাৰ লগতে মৃন্ময় মুৰ্তিৰ সহায়ত ৰাসলীলা পৰিবেশন কৰা হয়।

০০০০০০

সমগ্ৰ বিশ্বত সংক্ৰামক ৰোগৰ প্ৰতিৰোধ আৰু জনস্বাস্থ্য সুৰক্ষিত কৰাৰ ক্ষেত্ৰত প্ৰতিষেধকৰ ভূমিকাৰ বিষয়ে সজাগতা সৃষ্টি কৰাৰ উদ্দেশ্যে আজি বিশ্ব টীকাকৰণ দিৱস পালন কৰা হ'ব। এই দিনটোত প্ৰতিগৰাকী ব্যক্তিয়ে সহজে জীৱন ৰক্ষাকাৰী প্ৰতিষেধক লাভ কৰাৰ বাবে অবিৰত প্ৰচেষ্টাৰ আৱশ্যকতাত আলোকপাত কৰা হয়। এনে ধৰণৰ টীকাকৰণৰ জৰিয়তে পলিঅ', প্ৰসূতি আৰু নৱজাতকৰ মৃত্যুকে ধৰি ভালেমান ঘাটক ৰোগ নিৰ্মূল কৰাৰ ক্ষেত্ৰত ভাৰতে উল্লেখযোগ্য সাফল্য অৰ্জন কৰিছে। ২০২৩-২৪ বিত্তীয় বৰ্ষত দেশৰ নিৰ্ধাৰিত টীকাকৰণ লক্ষ্যৰ ৯৩ দশমিক ২-৩ শতাংশক সামৰি লোৱা হৈছে। সাৰ্বজনীন টীকাকৰণ আঁচনিৰ জৰিয়তে পলিঅ', বসন্ত, হেপাটাইটিছ্-বি কে ধৰি ১২ বিধ ৰোগৰ বাবে বিনামূলীয়া প্ৰতিষেধক প্ৰদান কৰা হয়। ইউ-উইন প'ৰ্টেলৰ জৰিয়তে হিন্দীকে ধৰি ১১টা আঞ্চলিক ভাষাত এতিয়া গৰ্ভৱতী মহিলা আৰু ১৭ বছৰ বয়সলৈকে শিশু আৰু কিশোৰক প্ৰতিষেধক প্ৰদানৰ ডিজিটেল তথ্য অন্তৰ্ভুক্ত কৰা হৈছে। চলিত বৰ্ষৰ ছেপ্তেম্বৰত এই মঞ্চত ৬ কোটি ৪৬ লাখ হিতাধিকাৰীৰ পঞ্জীয়ন হৈছে আৰু ইয়াৰ এক কোটি ৪ লাখ প্ৰতিষেধক প্ৰদানৰ কাৰ্যসূচী গ্ৰহণ কৰা হৈছে আৰু ২৩ কোটি ৬ হেজাৰ পালি প্ৰতিষেধক প্ৰদান তথ্য লাভ কৰা হৈছে।

ভাৰতে ২০২১ বৰ্ষৰ জানুৱাৰীত আৰম্ভ কৰা কোভিড-১৯ৰ প্ৰতিষেধক প্ৰদান কাৰ্যসূচী সমগ্ৰ বিশ্বতে সফলৰূপে পৰিগণিত হৈছে। বিগত বৰ্ষৰ জানুৱাৰীত এই কাৰ্যসূচীৰ অধীনত ২২০ কোটিৰো অধিক প্ৰতিষেধক প্ৰদান কৰা হৈছে। ইয়াৰে ৯৭ শতাংশ যোগ্য হিতাধিকাৰীক  কমেও এপালি প্ৰতিষেধক প্ৰদান কৰাৰ বিপৰীতে ৯০ শতাংশক দুপালি প্ৰতিষেধক প্ৰদান কৰা হৈছে।

০০০০০০

বিটিচি প্ৰশাসনৰ উদ্যোগত অহা ১৫ আৰু ১৬ নৱেম্বৰত নতুন দিল্লীত দুদিনীয়াকৈ বড়োলেণ্ড মহোৎসৱ অনুষ্ঠিত হ'ব। নতুন দিল্লীৰ ইন্দিৰা গান্ধী ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া এই মহোৎসৱত বড়ো সমাজৰ কলা-সংস্কৃতি আদি প্ৰদৰ্শন কৰা হ'ব। ১৫ নৱেম্বৰৰ কাৰ্যসূচীত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অংশগ্ৰহণ কৰাৰ কথা। এই মহোৎসৱৰ সৈতে সংগতি ৰাখি কালি বিয়লি কাজলগাঁৱত বড়ো সাহিত্য সভা, নিখিল বড়ো ছাত্ৰ সন্থা আৰু বড়ো সাংস্কৃতিক মঞ্চৰ উদ্যোগত এটা শোভাযাত্ৰা উলিওৱা হয়।

০০০০০০

যোৰহাটৰ নিৰ্মল চাৰিআলিত হোৱা এটা পথ দুৰ্ঘটনাত এগৰাকী মহিলাই প্ৰাণ হেৰুৱাইছে আৰু এটি শিশুসহ তিনিজন আহত হৈছে। নিহত মহিলাগৰাকী জোনা বেগম বুলি জানিব পৰা গৈছে। আহত লোককেইজনক জে এম চি এইছ্‌ত ভৰ্তি কৰোৱা হৈছে।

০০০০০০

সমাপ্ত